কিবা এক আচহুৱা শব্দত হঠাৎ সাৰ পাই যোৱা নয়নাৰ চকু দুটা বেৰখনৰ অন্ধকাৰ চুকটোত স্তব্ধ হৈ গ'ল। তাই দেখিলে নিশ্ছিদ্ৰ অন্ধকাৰৰ সুৰুঙা ভেদি সেই চুকটোৰপৰা বেৰখনেৰে সৰ্পিল গতিত বগুৱা বাই নামি আহিছে এটি মানৱী শৰীৰ। তেজীমলা। নয়নাৰ ৰাজহাড়ৰ মাজেৰে এটি হীম-শিতল স্ৰোত পাৰ হৈ গ'ল। মুহূৰ্ততে কিলবিলাই থকা কিছুমান অদৃশ্য জৰীয়ে বিচনাখনৰ সৈতে তাইক কটকটীয়াকৈ বান্ধি পেলালে। লৰচৰ কৰিবলৈ চেষ্টা কৰি গম পালে তেতিয়ালৈ তাই এটি প্ৰস্তৰ খণ্ডলৈ ৰূপান্তৰিত হৈছে। একমাত্ৰ লৰচৰ কৰিব পৰা চকুকেইটাৰে তাই ওপৰলৈ চালে। তেজীমলা ক্ৰমশঃ তাইৰ ওচৰলৈ আগবাঢ়ি আহি থাকিল। চিঞৰিব খোজোতেই কিহবাই তাইৰ জিভাখনকে আঁকুহি-বাঁকুহি ক্ষত-বিক্ষত কৰি পেলালে। চিঞৰৰ সলনি তাইৰ মুখৰপৰা এটা গো-গোৱনিহে ওলাই আহিল। একে সময়তে একে এটা গো-গোৱনি তাই ভৰিৰ পিনে অনুভৱ কৰিলে। লগে লগে এক বীজলুৱা ঘিণ লগা স্পৰ্শ। কুমজেলেকুৱাৰ দৰে। তাই কষ্টেৰে অকণমান মূৰটো দাঙি তললৈ চালে। ভৰিখনেৰে বগুৱা বাই ক্ৰমাৎ শৰীৰটোৰ ওপৰলৈ উঠি আহিছে তেজীমলা। বগা কপাহী কাপোৰযোৰ কৰাল মৰা তেজেৰে আঁট খাই ধৰিছে তেজীমলাৰ ক্ষীণকায় শৰীৰটোত। নয়নাৰ দেহৰ ওপৰেৰেই চুঁচৰি পাৰ হৈ গ'ল তাই। আতংকত মেল খাই যোৱা নয়নাৰ মুখত টোপকৈ কিবা জুলীয়া সোঁত এটি সৰি পৰিল। উষ্ণ, লুণীয়া সেই স্বাদটি কিহৰ নয়নাৰ বুজাত অসুবিধা নহ'ল। তেজীমলাই বগাই যোৱা তাইৰ শৰীৰৰ অংশবোৰ তেজীমলাৰ দৰেই ৰাঙলী হৈ পৰিল। চকুৰ পচাৰতেই তেজীমলাই বিচনাখনৰপৰা বগুৱা বাই নামি কোঠাটোৰ অন্ধকাৰ চুকটোলৈ আগবাঢ়িল আৰু 'কেঁকেঁক' শব্দ কৰি আলমাৰিটো খুলি তাৰ ভিতৰত সোমাই পৰিল। অনামী আতংকত নয়নাই বিচনাখনত খেপিয়াই বাপেকক বিচাৰিলে। তাইৰ হাতৰ মুঠিত ভৰি আহিল এমুঠি শূন্যতা। কাষৰ কোঠাটোত তেতিয়া হাঁহিৰ খিলখিলনি। মাতটোৰে তাই চিনি পাইছিল সেই হাঁহিৰ গৰাকীনীক। সেয়া তাইৰ কেইদিনমান আগেয়ে আহি ঘৰ সোমোৱা নতুন মাক। ভয়ে ভয়ে তাই আকৌ আলমাৰিটোলৈ চালে। আলমাৰিৰ দুৱাৰখন সামান্য মেলি তাত বহি আছিল তেজীমলা। তেজে কৰাল মৰা চুলিবোৰ তাইৰ মূৰত লিপিট খাই ধৰিছিল। ঢেকীৰ চাবত পিষ্ট হৈ যোৱা লাওখোলাৰ এটা অংশ সেই চুলিবোৰত লাগি ওলমি আছিল। কোৱাৰিৰে তেতিয়াও বৈ আছিল এসোঁতা তেজ। আঁঠু দুটাত মূৰটো সুমুৱাই ওলাই আহোঁ আহোঁ কৰি থকা ৰঙা চকু দুটাৰে তাই একেথৰে নয়নালৈ চাই ৰ'ল। এটা প্ৰচণ্ড চিঞৰ মাৰিব খুজিছিল যদিও কোনেও নুশুনা এটি অস্ফুট গেঙনি তুলি নয়না মূৰ্চ্ছা গ'ল।

পুৱা মালতী বাইৰ মাতত সাৰ পাওঁতেও দুচকুত ভাহি থাকিল তেজীমলা। কি যে এক ভয়াবহ দুঃস্বপ্ন। তথাপি খৰধৰকৈ স্কুললৈ ওলোৱাৰ সময়তো তাইৰ চকু দুটা বাৰে বাৰে সেই আলমাৰিটোত লাগি ধৰিলগৈ। আলমাৰিটোৰ দুৱাৰখন তেতিয়া কপকপীয়াকৈ বন্ধ। পিঠিত স্কুলৰ বেগটো লৈ কমটোৰপৰা যাবলৈ ওলাইয়ো হঠাৎ তাই বৈ গ'ল। আলমাৰিটোৰ বন্ধ দুৱাৰখনে বাৰে বাৰে তাইক কাষলৈ মাতিবলৈ ধৰিলে। সুতীব্ৰ আকৰ্ষণত তাই এখোজ-দুখোজকৈ দুৱাৰখনৰ কাষ চাপিল। লাহেকৈ টানি দিওঁতেই সেইখন খোল খাই গ'ল। লগে লগে জাঁপ মাৰি তাই কেইবাখোজমান পিছুৱাই আহিল। সামান্য খোল খাই তাৰ দুৱাৰখনৰ ফাঁকেৰে দেখিলে তেতিয়াও তাত একেদৰে বহি আছে তেজীমলা। সমগ্ৰ দেহ তেজেৰে ৰাঙলী। কোৱাৰি ফাটি বৈ আহিছে তেজৰ ধাৰ। প্ৰচণ্ড যন্ত্ৰণাত বিকৃত হৈ পৰিছে তাইৰ নিষ্পাপ, কমনীয় মুখমণ্ডল। অস্ফুটস্বৰৰপৰা ভাহি আহিছে যন্ত্ৰণাকাতৰ মৰ্মভেদী এক গেঙনি। তাই প্ৰাণ-পণে তাৰপৰা দৌৰ মাৰিছিল। বাহিৰত জগত খুৰাকে গাড়ীখন লৈ বৈ আছিল। তাই জাঁপ মাৰি তাত উঠিলগৈ। গাড়ীৰ ভিতৰতো তাই ভয়-আতংকত কোঁপাবলৈ ধৰিলে। গোটেই মানুহজনীৰ তেজকণ যেন কোনোবাই শুহি নিলে। জগত খুৰাই পাছফালৰ ছিটত বহা তাইলৈ কেৰাহিকৈ চালে যদিও মুখেৰে একো নক'লে। বাহাদুৰে খুলি দিয়া গেটখনেৰে গাড়ী ওলাই আহিল। অলপ দূৰ অহাৰ পিছত লাহে লাহে নয়না শান্ত হৈ পৰিল। তাইৰ উশাহ-নিশাহবোৰে স্বাভাৱিক গতি লাভ কৰিলে। জগত খুৰাকে তাইলৈ বুলি পানীৰ বটল এটা আগবঢ়াই দিলে। তাই উচাপ

গল্প

জিতুমণি পাঠক

# তেজীমলা

কিন্তু প্ৰতিটো শব্দৰ নামত তাইৰ যন্ত্ৰণাকাতৰ মুখখনে যি ভয়াৰ ৰূপ লয়, নয়নাই লগে লগে তাইক কথা ক'বলৈ বাৰণ কৰে। তাইৰ মূৰত হাতখন ফুৱাই দিবলৈ গৈও নয়নাৰ হাতখন কোঁচ খাই যায়। তাইৰ এনে লাগে মূৰটোৰ সলনি যেন তাত এলদা মাংসপিণ্ডহে লেপ খাই আছে।

মাজে মাজে এনেয়ে তাইৰ নতুন মাক কমটোলৈ সোমাই আহে। মুখত অনবৰত এটি মিঠা হাঁহি। আহি বিচনাখনত বহে। কমৰ ইটো-সিটো বস্তু থান-থিত লগায়। মুখত হাঁহিটো ওলমিয়েই থাকে। তাইক উদ্দেশ্যি কিবাকিবি কয়। এটা শব্দও তাইৰ কাণত নোসোমায়। বতাহত উপঙি থকা হাঁহিৰ টোবোৰ লিৰিকি-বিদাৰি তাত লিপিট খাই থকা বিষবোৰ বিচাৰি ফুৰে তাই। নতুন মাকে অনৰ্গল কিবা কৈ থাকে। কমটোৰ ইটো মূৰৰপৰা সিটো মূৰলৈ অহা-যোৱা কৰে।

দেখিলে। নাই, নতুন মাকে তাইক এৰি আলনাৰ কাপোৰবোৰ জাপিবলৈ আৰম্ভ কৰিছিল। তাই সংশয়পূৰ্ণ দৃষ্টিৰে নতুন মাকৰ হাত দুখনলৈ চাই থাকিল। এতিয়াই হয়তো হাত দুখনলৈ উঠি আহিব দগ-মগীয়া জুইৰপৰা উলিয়াই অনা এটি পকা অঙঠা। কোনেও গম নোপোৱাকৈ সুমুৱাই থৈ যাব তাইৰ কাপোৰৰ জাপৰ মাজত। পকা অঙঠাই দহি নিব তাইৰ দামী দামী কাপোৰবোৰ। কপট ক্ৰোধত জ্বলি উঠিব নতুন মাক। চোঁচৰাই লৈ যাব ঢেঁকীশাললৈ। খুৱলীত সুমাই দিব তাইৰ হাত, ভৰি, মূৰ।

ঘট্ ঘট্ ঘট্ ঘট্— শব্দটো শুনি তাই চক খাই উঠিল। নতুন মাকে তেতিয়া বেৰত গজাল এটা পুতিবলৈ চেষ্টা কৰিছে। হাতত থকা সৰু কাঠৰ টুকুৰাটোৰে তেওঁ কামটো কৰিব পৰা নাই। এইবাৰ তেওঁ এটা গধুৰ বস্তুৰ সন্ধানত ইফালে-সিফালে চকু ফুৰাবলৈ ধৰিলে। হঠাৎ এপাকত তেওঁ আলমাৰিটোলৈ বুলি আগবাঢ়িল। তাইৰ বুকুখন 'ঢ্ৰক'কৈ উঠিল। এইবাৰ তাই বাহিৰৰ মানুহজনীও ঠক্ ঠকাই কঁপিবলৈ লাগিল।



আলমাৰিটোৰ সন্মুখ পালেই নয়নাৰ বুকুখন কঁপি উঠে। এই যদি হঠাৎ দুৱাৰখন খুলি পেলায়? হঠাৎ যদি তেজীমলাই বিশ্ৰুপ যন্ত্ৰণাত চিৎকাৰ কৰি উঠে। নাই, তাই ভৱা ধৰণে একো নঘটে। তাই স্বস্তিৰ নিশ্বাস পেলায়।

সিদিনাখন দেওবাৰৰ পুৱা হঠাৎ যেতিয়া নতুন মাকে তাইৰ কমটো চফা কৰিবলৈ সোমাই আহিছিল, উত্তেজনাত তাইৰ হৃৎপিণ্ড স্তব্ধ হৈ যাব যেন লাগিল। তাইৰ শেঁতা পৰি যোৱা মুখখনলৈ চাই নতুন মাকে কিবা কৈছিল। বাহিৰত স্থিৰ হৈ থাকিলেও ভিতৰৰ তাইজনী ঠক্ঠককৈ কঁপি উঠিল। নতুন মাকে এইবাৰ লাহে লাহে তাইৰ মূৰত হাত ফুৱাই দিলে। তাইৰ ভাব হৈছিল, এইমাত্ৰ এডাল মন্ত্ৰপূতঃ শলাই তাইৰ মগজুটো পথালিকৈ সী পেলাব। মুহূৰ্ততে তাই এজনী শালিকীলৈ ৰূপান্তৰিত হৈ উৰা মাৰিব কোনোবা অজান

নতুন মাকে আলমাৰিৰ দুৱাৰখন টান মাৰোঁতেই তাই ভয়ত চকু দুটা মুদি দিলে। আকৌ 'ঘট্ ঘট্' এটা শব্দত তাইৰ চকু দুটা মেল খাই গ'ল। নতুন মাকে তেতিয়া বেলেগ এটা গধুৰ বস্তুৰে বেৰখনত গজালটো পুতিবলৈ লৈছে। অবাক বিস্ময়ত তাই আলমাৰিটোলৈ ঘূৰি চালে। বহলকৈ মেল খাই থকা আলমাৰিটোত তেতিয়া তেজীমলা নাই। তাই লাহে লাহে খিৰিকীখনৰ কাষ পালে। নাই, বাহিৰতো ক'তো নাই তেজীমলা। হঠাৎ নাতিদূৰত থকা জবা টেঙাজোপাই খচমচাই উঠিল। তাই চিনি পালে। লগে লগে মুখত হাঁহি এটা বিৰিঙি উঠিল। মুহূৰ্ততে জবা টেঙা হৈ পৰা তেজীমলায়ো তাইলৈ চাই মিচিকিয়ালে।

স্কুল ছুটীৰ পিছত সিদিনাখন তৃষা মেমে তাইক আগচি ধৰিলে। কি হৈছে তাইৰ? কিয় অমনোযোগী

সকলো সময়ত। ঘৰত কিবা দিগদাৰ পাইছে যদি তেওঁক খুলি ক'ব পাৰে। কাকো তেওঁ ডিচক্লজ নকৰে। তাই দেউতাকৰ লগত তেওঁ দৰকাৰ হ'লে কথা পাতিব। নয়নাই মেমৰ ইংগিতটো বুজি পায়। তাই একো মাত নিদি লৰালৰিকৈ মেমৰ ওচৰৰপৰা আঁতৰ হয়। মেমে তাইৰ নতুন মাকজনী অহা কথাটো জানে। মালতী বায়েকেও। সিদিনাখন তাইৰ হাতত কাগজ এখনত লিখি অনা পুলিচৰ ইমাৰজেন্সী নম্বৰ এটা গুঁজি দি ফুচফুচাই তাইক কৈছিল যে কিবা বিপদৰ সম্ভাৱনা দেখিলে চিধাই যেন এই নম্বৰটোলৈ ফোন কৰে। নয়নাৰ ভাব হৈছিল তাইৰ চাৰিওফালে নিৰাপত্তাৰ এক কঠিন বেষ্টনী তৈয়াৰ হ'বলৈ আৰম্ভ কৰিছে। তেজীমলাৰ দৰে চাগে তাই ইমান অসহায় নহয়।

কিন্তু দেউতাক যেন তাইক লৈ অমনোযোগী হৈ পৰিছিল। মাজতে গাঁৱৰপৰা তাইৰ পেহীআইতাক আহিছিল। যাবৰ দিনাখন দেউতাকক অকলশৰীয়াকৈ পাই ক'লে, 'তোৰ ছোৱালী কি খাব নোপোৱা ঘৰত ওপজিছে নেকি? দিনক দিনে যে হাড়ে-ছালে লাগিছেগৈ চকু দুটাৰে দেখা পাব নে নেপাৱ?' বহু দিনৰ মূৰত সিদিনাখন দেউতাকে একেথৰে তাইলৈ কিছু সময় চালে। তাইৰ মনটো ভাল লাগি গৈছিল। ৰাতি ভাত খোৱাৰ সময়ত দেউতাকে অলপ গহীন সুৰত সুধিছিল— 'এই দিনক দিনে খীণাই যোৱা নাইনে?' 'নতুন মাকে এবাৰ তাইলৈ আৰু এবাৰ দেউতাকৰ মুখলৈ চাই আকৌ সেই মোহনীয় হাঁহিটো মাৰি কৈছিল, 'আপুনি খীণাই যোৱাটোহে দেখিছে। তাই যে ওখ হৈ বৰ ছোৱালী এজনীয়েই হ'লগৈ, মন কৰিছেনে নাই?' মুখমণ্ডল চাই নয়নাই ধৰিব নোৱাৰিলে দেউতাকে কথাখিনি কিভাৱে ল'লে।

সিদিনাখন ৰাতি নয়না আলমাৰিটোৰ ভিতৰলৈ সোমাই গ'ল। তেজীমলাই অলপ লৰচৰ কৰি তাইৰ বাবে ঠাই উলিয়াই দিলে। কুঁচিমুচি দুয়োজনীয়ে আলমাৰিটোৰ ভিতৰত বহি ল'লে। নয়নাই লাহেকৈ হাতৰ মুঠিটোৰপৰা কম্পাছৰ কাঁটাডাল উলিয়ালে। তাৰ পিছত বাঁওহাতখনত আঁকুহি-বাঁকুহি কেইবাটাও দাগ কাটিলে। মুহূৰ্ততে হাতখন ৰাঙলী হৈ পৰিল। এইবাৰ কম্পাছৰ কাঁটাডাল দ্বিধাহীনভাৱে 'লৰি' ফুৰিল তাইৰ শৰীৰৰ বিভিন্ন অংশত। গোটেই সময়খিনি আঁঠুত মূৰ গুঁজি নিষ্পলক দৃষ্টিৰে তেজীমলাই তাইলৈ চাই থাকিল।

পুৱা তাই আলমাৰিটোৰপৰা ওলাই আহিল। দেউতাকৰ সেই সময়ত ক'ৰবালৈ যাবলৈ ব্যস্ততা। কেইদিনমানলৈ দীঘলীয়াকৈ। দীঘলীয়া জাৰ্ণীৰ বাবে দেউতাকৰ প্ৰস্তুতিখিনি চাই চাই কিবা অজান আশংকাত তাইৰ বুকুখন ঢকঢকাই উঠিল। দেউতাক ঘূৰি আহে মানে চাগে তাই এইবাৰ এজোপা লাওখোলালৈ পৰিণত হ'ব। নতুবা জবা টেঙা বা এপাহ পদুম ফুললৈ। তাইৰ চকু দুটা ভৰি আহিল। কিন্তু মুখ ফুটাই দেউতাকক নাযাবলৈ ক'ব নোৱাৰিলে। বেগটো হাতত লৈ ওলাই অহা দেউতাক তাইৰ সৈতে মুখামুখি হ'ল। বাধা দিম বুলিও তাই বৈ গ'ল। দেউতাকে তাইৰ মূৰটোত মৰমেৰে হাত ফুৰাই দিলে। তাৰ পিছত গাড়ীখনলৈ আগবাঢ়িল। হঠাৎ নয়নাই যেন সম্বিৎ ঘূৰাই পালে। তাই 'বাই' বুলি যিমান পাৰে হাতখন দেউতাকৰ চকুত পৰাকৈ জোকাৰিবলৈ ধৰিলে। দেউতাকে ঘূৰি হাঁহি এটা মাৰিলে। কিন্তু এবাৰলৈও তাইৰ হাতখনলৈ, তাইৰ হাত-ভৰি, বাহুত জিলিকি থকা কটা দাগবোৰলৈ লক্ষ্য নকৰিলে। দেউতাক গাড়ীত বহাৰ লগে লগে বাহাদুৰে গেটখন খুলি দিলে। গেটখনৰ বাহিৰত এখন ইপাৰ-সিপাৰ নেদেখা নদী। তাত বণিজৰ বাবে সাজু হৈ আছে বয়-বস্তুৰে ভৰপূৰ এখন বিশাল পালতৰা নাও। মুহূৰ্ততে দেউতাক এজন ধনী সাউদলৈ পৰিৱৰ্তিত হ'ল আৰু সেই পালতৰা নাওখনত বহি দিলেগৈ। তাইৰ বুকুৰ ভিতৰৰপৰা শোকবোৰ উজাই আহিল। কেতিয়া জানো তেজীমলাও বাৰাণ্ডাৰ ছিৰিকেইটাত বহি লৈছিলহি! তাইৰ চকুকেইটাও লাহে লাহে চকুৰ আঁৰ হ'বলৈ ধৰা নাওখনৰ ওপৰত নিবদ্ধ।

নয়নাই দেখিলে তাইৰ দৰে তেজীমলাৰ চকু দুটাও সেমেকা। বাহাদুৰে গেটখন বন্ধ কৰি দিয়াৰ লগে লগে বিশাল নদী আৰু পালতৰা নাওখন ক'ৰবাত হেৰাই থাকিল। নয়নাই পিছলৈ ঘূৰি চালে। লগে লগে ভীষণভাৱে চক খাই উঠিল। তাই গম নোপোৱাকৈ কেতিয়া জানো তাইৰ পাছফালেই থিয় দি আছিলহি তাইৰ নতুন মাক। আবেলি অহা আৱতৰীয়া

বৰষুণজাকত তাই কোনেও নেদেখাকৈ হেঁপাহ পলুৱাই তিতিছিল। দেউতাকৰ প্ৰতি লুকাই থকা ক্ষোভত। গধূলিলৈ তাইৰ জ্বৰ আৰম্ভ হৈছিল। কিন্তু সেই কথা তাই কাকো কোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। তাইৰ গাল-মুখ ৰঙা পৰি গৈছিল। গাত কঁপনি উঠিছিল। তাইৰ তেনেকৈ ভাল লাগিছিল। সহ্য কৰি গৈছিল। তেজীমলাৰ কষ্টতকৈ এয়াতো বহু কম কষ্ট। তাই আৰু এজনী তেজীমলা হ'ব নিবিচাৰে। এইবাৰ হঠাৎ তাইৰ গাটো গৰমত দহি-পুৰি যাবলৈ আৰম্ভ কৰিলে। গাৰ ভিতৰত ইমান উত্তাপ ক'ত লুকাই আছিল তাই নিজে ক'ব নোৱাৰে। সহিবলৈ চেষ্টা কৰি কৰি এটা সময়ত তাই অজ্ঞান হৈ পৰিল।

মাজৰাতি যেতিয়া সামান্য জ্ঞান ঘূৰাই পায়, তেতিয়া তাই গম পাইছিল তাইৰ কমত কিছুমান অস্পষ্ট ছায়ামূৰ্তিয়ে ঘূৰা-পকা কৰি আছে। সেইবোৰৰ মাজত তাই চিনি পাইছিল নতুন মাকক। তাই অসহায়বোধ কৰিছিল। দুচকুৰে তেজীমলাক বিচাৰি ফুৰিছিল। দেখিছিল আলমাৰিটোৰ চুকত তেজীমলায়ো ভয়ত তাপ মাৰি বহি আছে। তাই পুনৰ অজ্ঞান হৈ পৰিছিল। আকৌ যেতিয়া জ্ঞান পাইছিল, দেখিলে কোনোবাই মজিয়াত লেপেটা কাঢ়ি বহি তাইৰ বিচনাত মূৰটো থৈ শুই আছে। তেজীমলা চাগে। নয়নাই লাহে লাহে মূৰটো ঘূৰাই চালে। লগে লগে তাইৰ দুচকুত অবাক বিস্ময় ফুটি উঠিল। ট-টকৈ জিলিকি থকা সেন্দুৰৰ ফোটটিৰে সেয়া দেখোন তাইৰ নতুন মাক। হঠাৎ তাইৰ নতুন মাক লৰচৰ কৰি উঠিল। তাই ভয়তে চকু দুটা মুদি দিলে। তাই এইবাৰ কপালত নতুন মাকৰ হাতৰ স্পৰ্শ অনুভৱ কৰিলে। কিছু সময় পিছত তাইৰ গৰম হৈ থকা কপালখনত শীতল স্পৰ্শ এটা অনুভূত হ'ল। নতুন মাকে তেতিয়া তাইৰ গৰম হৈ পৰা জলপটিটো সলনি কৰি দিছিল। কিবা বুজা-নুবুজাৰ দোলনাত তাই আকৌ টোপনিত ঢলি পৰিল।

শেষনিশা তাই এটি সপোন দেখিলে। তাইৰ হেৰাই যোৱা মাকজনী তাইৰ ওচৰলৈ উভতি আহিছে। আহি তাইক আঁকোৱালি ধৰিছে। মাকৰ চিনাকি গোন্ধটো তাইৰ শৰীৰটোলৈ বিয়পি পৰিল। এক মুগ্ধতাই আচ্ছন্ন কৰি পেলালে তাইক। চিনাকি গোন্ধটোৰ সুঘ্ৰাণ ল'বলৈ তাই মাকৰ বুকুৰ আৰু কাষ চাপি গ'ল। হঠাৎ ধহমহাই আকৌ তাই সাৰ পাই গ'ল। সাৰ পাই অনুভৱ কৰিলে কাৰোবাৰ বাহুৰ বেষ্টনীৰ মাজত তাই। দেখিলে নতুন মাকে ঠিক সপোনটোৰ দৰেই তাইক আঁকোৱালি ধৰি তাইৰ কাষতে শুই আছে। হঠাৎ সেই বহুদিনীয়া পুৰণি প্ৰিয় গোন্ধটো তীব্ৰ হৈ তাইৰ নাকত ধৰা দিলে। তাই গোন্ধটিৰ উৎস বিচাৰি নতুন মাকৰ বুকুৰ কাষলৈ লাহে লাহে আগবাঢ়ি গ'ল। হয়, চিনাকি সেই প্ৰিয় গোন্ধটি আহিছে তাইৰ নতুন মাকৰ বুকুৰপৰা। তাইৰ আচৰিত লাগিল। খুটি খুটি চাবলৈ ধৰিলে নতুন মাকৰ মুখখন। অতি চিনাকি চিনাকি লাগিল এই মুখ। হঠাৎ নতুন মাকৰ মুখমণ্ডলৰপৰা দৃষ্টি আঁতৰি চকু পৰিল আলমাৰিটোৰপৰা অতি কাতৰ দৃষ্টিৰে তাইলৈ চাই থকা তেজীমলাৰ ওপৰত। কিয় জানো প্ৰথমবাৰৰ বাবে নয়নাৰ দৃষ্টিত তেজীমলাৰ প্ৰতি এটা অৱজ্ঞাৰ চাৱনি ফুটি উঠিল। তেজীমলা কোঁচ খাই গ'ল। নয়নাই গুৰুত্ব নিদিলে। একেই অৱজ্ঞাভৰা দৃষ্টিৰে চকু দুটা ঘূৰাই দিলে। তাৰ পিছত চিনাকি গোন্ধটি বিচাৰি কুৰুকি কুৰুকি নতুন মাকৰ বুকুৰ মাজলৈ সোমাই গ'ল। নতুন মাক সাৰ পাই গ'ল। তাইলৈ চাই মিঠা হাঁহি এটি মাৰি তাইক জোৰেৰে বুকুৰ মাজত আঁকোৱালি ধৰিলে। নয়নাই দেখিলে চাওঁতেই নতুন মাকজনী তাইৰ বহুদিন আগতে হেৰাই যোৱা মাকজনী হৈ পৰিল।

হঠাৎ হাজাৰ শব্দৰ গুঞ্জনে তাইৰ কাণ দুখনত ভিৰ কৰিব ধৰিলেহি। চৌদিশৰপৰা ভাহি আহিল অলেখ ফুচফুচনি। মালতী বাই, তৃষা মেম, পেহীআইতাক, জগত খুৰা, সকলোৱে ফুচফুচাই তাইক পুৰণি সাধুটি ক'বলৈ চেষ্টা কৰিলে। তেজীমলাৰ সাধু। তাই জোৰকৈ নিজৰ কাণ দুখন হেঁচা মাৰি ধৰিলে। হতাশ হৈ সেই ফুচফুচনিবোৰ কমটোৰ বেৰত ঠেকা খাই লাহে লাহে শূন্যত বিলীন হৈ গ'ল। আঁৰ চকুৰে এইবাৰ নয়নাই তেজীমলালৈ চালে। দেখিলে, তেজীমলাই আলমাৰিটোৰপৰা ওলাই বেৰখনৰ কাষ পালেগৈ। তাৰ পিছত বগুৱা বাই বগুৱা বাই বেৰখনৰ ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিলে আৰু এটা সময়ত নিশ্ছিদ্ৰ অন্ধকাৰৰ সুৰুঙা ভেদি বেৰখনৰ সেই অন্ধকাৰ চুকটোত হেৰাই থাকিল। ■

ভ্ৰাম্যভাষ : ৯৮৫৪০১৮১১৭

স্বাভাৱিক গতি লাভ কৰিলে। জগত খুৰাকে তাইলৈ বুলি পানীৰ বটল এটা আগবঢ়াই দিলে। তাই উচাপ খাই উঠিল। তাৰ পিছত খুৰাকলৈ চাই শেঁতা হাঁহি এটা মাৰি বটলটো হাত পাতি ল'লে। কিয় জানো হঠাৎ তাইৰ মাকজনীলৈ প্ৰচণ্ড অভিমান জাগি উঠিল। মৃত্যুৰ সৈতে যুঁজিবলৈ সামান্য চেষ্টাও নকৰিলে মাকজনীয়ে। নহ'লে এদিনৰ জ্বৰতেই তাইক এনেকৈ নিঠৰুৱা কৰি থৈ গুচি যায়নে?

ভিৰ ফালি ফালি গাড়ীখন আগবাঢ়িছিল। সদাব্যস্ত মানুহৰ কলৰোলবোৰ টুকুৰা-টুকুৰ হৈ গাড়ীখনৰ ভিতৰলৈ সোমাই আহিল। কিন্তু ভিতৰখনত যেন অস্বাভাৱিক নীৰৱতা। ক'ৰবাৰপৰা অহা এটা জিলীপোকৰ ৰি-ৰিয়নিৰ দৰে শব্দই লাহে লাহে তাইক বাহ্যিক জগতখনৰপৰা বিচ্ছিন্ন কৰি আনিলে। 'তেজীমলাৰ সাধুটো শুনিছানে মাজনী?' হঠাৎ জগত খুৰাই কৰা প্ৰশ্নত তাই উচাপ খাই উঠিল। লগে লগে তাইৰ গাটোও আকৌ জিকাৰ খাই উঠিল। বহুত শুনিছে এই তেজীমলাৰ সাধু। মাকৰ মুখত। আইতাকৰ মুখত। মালতী বাইৰ মুখত। কিছুদিন আগতে তাইৰ দূৰ সম্পৰ্কীয় পেহীয়েকজনী আহোঁতেও তাৰেই পুনৰাবৃত্তি কৰিলে। কিন্তু জগত খুৰাই কিয় সুধিলে তাইক? খুৰাকে বাৰু গম পাই গ'ল নেকি তাইৰ ঋমত যে এতিয়া আশ্ৰয় লৈছে তেজীমলাই। তাই জগত খুৰাকৰ মুখত আৰু কিবা শুনিবলৈ আগ্ৰহেৰে চাই থাকিল। কিন্তু খুৰাকে দীঘলীয়া হুমুনিয়াহ এটা মাৰি নীৰৱ হৈ পৰিল। তাই কিবা বুজা-নুবুজাৰ দোমোজাত ওলমি থাকিল। স্কুলৰ গেটত গাড়ীৰপৰা নামিবৰ সময়ত খুৰাকে সংকুচিত মাতেৰে ক'লে— 'মাজনী, আমি সৰু মানুহ।' কি ভাল, কি বেয়া নাজানো। তোমাৰ মাই আমাক নিজৰ ঘৰৰ মানুহৰ দৰে মৰম কৰিছিল। সেয়েহে নিজৰ জী হেন ভাবি এটা কথাই কওঁ। 'বাছি খাবা, জাগি শুবা' বুলি কথা এষাৰ আছে শুনিছা নহয়?' নয়নাই একো নামাতিলে। জগত খুৰাৰ ইংগিতটো তাইৰ বুজাত অসুবিধা নহ'ল।

স্কুলৰপৰা আহি দেখিলে একেদৰেই আলমাৰিটোৰ ভিতৰত বহি আছে তেজীমলা। ভয়-আতংকত তাইৰ কেইৰাটাও উজাগৰী নিশা পাৰ হ'ল। কিন্তু লাহে লাহে তেজীমলাৰ প্ৰতি থকা সেই ভয়-আতংকৰ ভাব কমি আহিল। তাই দেখিলে তেজীমলা মুঠেই হিংস্ৰ অথবা আক্ৰমণাত্মক নহয়। তাৰ সলনি দুচকুত এক গভীৰ সৰলতা। লাহে লাহে নয়নাৰ তাইৰ প্ৰতি সৃষ্টি হ'ল এক সহৃদয়তাৰ। আজি-কালি স্কুলৰপৰা আহিয়েই তাই আলমাৰিটোৰ সন্মুখত মজিয়াত লেপেটা কাঢ়ি বহি লয়। তেজীমলাৰ সৈতে কথা পাতিবলৈ চেষ্টা কৰে।